**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 29-08-2026** **Time : 1100 Hrs**

***Assamese Regional Bulletin***

----------------------------

নেপালৰ বিধবংসী বানৰ পাছত বৰ্তমানলৈকে ৮৪ গৰাকী ভাৰতীয় লোকক উদ্ধাৰ কৰা হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰত ত্ৰিশূলী জলবিদ্যুৎ প্ৰকল্পত কৰ্মৰত ৬৩ গৰাকী লোক আৰু তামিলনাডুৰ ২১ গৰাকী লোক আছে। এতিয়ালৈকে ৩২০ গৰাকী ভাৰতীয় লোক সন্ধানহীন হৈ আছে বুলি মন্ত্ৰালয়ে জনাইছে। নেপালৰ বানত সন্ধানহীন হোৱা বুলি প্ৰকাশ পোৱা নলবাৰী জিলাৰ পংকজ বৰ্মন আৰু সমৰ বেজবৰুৱা নামৰ লোক দুজন সম্প্ৰতি নিৰাপদে আছে বুলি পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰিছে। অৱশ্যে এতিয়াও অসমৰ ১০ গৰাকী লোকৰ কোনো তথ্য পোৱা হোৱা নাই।

ইপিনে, আকস্মিক বানৰ সময়ত চীনৰ পৰা নেপালত ১৪৯ গৰাকী লোক সুৰক্ষিতভাৱে উপস্থিত হোৱাৰ তথ্য পোৱা গৈছে। চীনৰ ফালে প্ৰায় ৪০০ গৰাকী ভাৰতীয় লোক সুৰক্ষিত অৱস্থাত আছে আৰু ভাৰতীয় দূতাবাসে তেওঁলোকক দেশলৈ ঘূৰাই অনাৰ বাবে কাম কৰি আছে।

ইপিনে, এই বিধবংসী বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৫৭৯ লৈ বৃদ্ধি হৈছে। বানৰ পাছৰে পৰা নেপাল আৰু তীববতৰ সীমান্তৰ দুয়োপাৰে এহেজাৰ ৯২৪ গৰাকী লোক সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী দলসমূহে নদীৰ কাষে কাষে আৰু বিচ্ছিন্ন হৈ থকা অঞ্চলসমূহত উদ্ধাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। নেপালৰ ৰাষ্ট্ৰীয় দুৰ্যোগ আশংকা হ্ৰাস আৰু ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি বৰ্তমানলৈকে ৫৭৯টা মৃতদেহ উদ্ধাৰ কৰা হৈছে আৰু ১০১ গৰাকী আঘাতপ্ৰাপ্ত লোকৰ চিকিৎসা অব্যাহত আছে। সন্ধানহীন হৈ থকা লোকসকলৰ ভিতৰত জলবিদ্যুৎ প্ৰকল্প, বিদেশী নাগৰিক, অসামৰিক লোক, নিৰাপত্তা বাহিনী আৰু চৰকাৰৰ লোক আছে। জলবিদ্যুৎ প্ৰকল্পৰ পৰা প্ৰায় ৯৩৩ গৰাকী লোক সন্ধানহীন হৈ থকা বুলি জানিব পৰা গৈছে।

ইপিনে, ভাৰতে মানৱীয় সাহায্য হিচাপে কালি কাঠমাণ্ডুলৈ তৃতীয়খন বিমানেৰে ১০ টন সাহায্য সামগ্ৰী প্ৰেৰণ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে প্ৰকাশ কৰা মতে সাহায্য সামগ্ৰীৰ ভিতৰত পোৰ্টেবল জেনেৰেটৰ, খাদ্যৰ টোপোলা, পানী পৰিশোধন টেবলেট আদি আছে।

বিদেশ মন্ত্ৰ্যালয়ে নিখোজ হৈ থকা লোকসকলক বিচাৰি উলিওৱা আৰু উদ্ধাৰ অভিযানত সহায় কৰাৰ উদ্দেশ্যে অহৰ্নিশে খোলা থকা এটা নিয়ন্ত্ৰণ কক্ষ মুকলি কৰিছে।

oooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শ্বিলঙত থকা আছাম ৰেজিমেণ্টৰ কেন্দ্ৰ পৰিদৰ্শন কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে যুদ্ধ স্মাৰক ক্ষেত্ৰত উপস্থিত হৈ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি তৰ্পন কৰাৰ লগতে যুদ্ধ অনুশীলনো পৰিদৰ্শন কৰিব। ড০ শৰ্মাই অগ্নিবীৰ সকলৰ লগতে তেওঁলোকৰ পৰিয়ালৰ সৈতেও মত বিনিময় কৰিব।

oooooo

মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ আধাৰ নম্বৰ বাধ্যতামূলক কৰা হৈছে। অসম চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালকালয়ে এই সন্দৰ্ভত এটা নিৰ্দেশ জাৰি কৰিছে। অৱশ্যে ১৮ বছৰ

অনুৰ্ধৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত নতুনকৈ আধাৰ কাৰ্ড প্ৰদান ব্যৱস্থা ৰাজ্য চৰকাৰে বন্ধ ৰখাৰ পৰিপ্ৰেক্ষিতত উচ্চ শিক্ষা সঞ্চালকালয়ে বিশেষ প্ৰক্ৰিয়াৰ মাজেৰে এই আঁচনিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক আধাৰ কাৰ্ড প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত নিৰ্দেশটোত উল্লেখ কৰা অনুসৰি আধাৰ কাৰ্ড নথকা শিক্ষাৰ্থীসকলৰ যাৱতীয় তথ্যসমূহ শিক্ষানুষ্ঠানৰ মুৰববীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব। এনেদৰে আধাৰ কাৰ্ড লাভ কৰাৰ পাছতহে ছাত্ৰ-ছাত্ৰীসকলে নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ বাবে আবেদন কৰিব পাৰিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০০০০

গুৱাহাটীক ক্ৰীড়াৰ ক্ষেত্ৰত দেশৰ ভিতৰতে আটাইতকৈ বেছি সুবিধাজনক মহানগৰ হিচাপে গঢ়ি তোলা হ'ব। এই সন্দৰ্ভত অসম ক্ৰীড়া প্ৰাধিকৰণ, ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ আৰু ভাৰতীয় বেডমিণ্টন সংস্থাৰ মাজত এখন বুজাবুজিৰ চুক্তি সম্পন্ন হৈছে। চলিত বৰ্ষতে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামক সুন্দৰকৈ সজাই তোলাৰ বাবেও আঁচনি গ্ৰহণ কৰা হ'ব। আমিনগাঁৱত কালি ৰাষ্ট্ৰীয় সাঁতোৰ উৎকৰ্ষ কেন্দ্ৰ মুকলি কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা ঘোষণা কৰে। আমিনগাঁৱত শীঘ্ৰেই এখন ক্ৰিকেট ষ্টেডিয়ামৰ নিৰ্মাণো সম্পূৰ্ণ হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ৩০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই ষ্টেডিয়ামখন অহা বছৰ মুকলি কৰা হ'ব।

প্ৰায় ৫০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই সাঁতোৰ উৎকৰ্ষ কেন্দ্ৰটোত ৫০ মিটাৰ দৈৰ্ঘ্যৰ ৯টা লেনৰ মূল প্ৰতিযোগিতামূলক পুল আৰু ৫ মিটাৰ গভীৰ ডাইভিং পুল আছে। তদুপৰি এহেজাৰ ৩০৯ খন আসনবিশিষ্ট দৰ্শক গেলাৰীৰ সুবিধা থকা কেন্দ্ৰটোত ৩০ গৰাকী এথলীটৰ প্ৰশিক্ষণৰ সুবিধা থাকিব।

০০০০০০০

অধিক ৰাজহ সংগ্ৰহৰ উদ্দেশ্যে পৰিবহণ মন্ত্ৰী চৰণ বড়োৰ অধ্যক্ষতাত কালি ওদালগুৰি জিলা আয়ুক্তৰ কাৰ্যালয়ত ৰাজ্যৰ পৰিবহণ বিভাগৰ এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। পৰিবহণ বিভাগৰ আয়ুক্ত, সচিবসহ অন্যান্য বিষয়াসকলৰ লগতে বিটিচিৰ পাঁচখন জিলাৰ পৰিবহণ বিষয়াসকলে প্ৰত্যক্ষভাৱে আৰু ৰাজ্যৰ আন জিলাৰ পৰিবহণ বিষয়াসকলে ভাৰ্চুৱেলী এই বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰী চৰণ বড়োৱে কয়, যে ৰাজ্য চৰকাৰে ২০২৬-২৭ বিত্তীয় বৰ্ষত দুহেজাৰ ১০০ কোটি টকা ৰাজহ সংগ্ৰহৰ লক্ষ্য ধাৰ্য কৰি দিয়াৰ বিপৰীতে পৰিবহণ বিভাগে দুহেজাৰ ৫০০ কোটি টকা ৰাজহ সংগ্ৰহৰ লক্ষ্য লৈছে। বৈঠকত ৰাজ্যৰ প্ৰতিখন জিলাত জিলাভিত্তিত ৰাজহ সংগ্ৰহৰ পৰিমাণ ধাৰ্য কৰি দিয়া হয় বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

**সমাপ্ত**